


# FREEDOM STRUGGLE AND NORTHEAST INDIA


## History, Social Memory, and Folk Narratives

*Edited by*

Pallabi Borah

abhijitbora





# FREEDOM STRUGGLE AND NORTHEAST INDIA

## History, Social Memory, and Folk Narratives

Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com

ISBN : 978-93-95103-61-9
9 789395 103619

- Women of Assam in the Indian Freedom Struggle
  Monalisha Medhi
  Dr. Pallabi Borah / 214
- Queen Abhayeshwari : Unsung in History, Alive in Social Memory
  *Dr. Meghna Choudhury* /228
- লোকসাহিত্যত ব্ৰিটিছ-শাসিত অসমৰ চিত্ৰণ ঃ এটি চমু অধ্যয়ন
  *দেৱযানী বকলীয়াল*/241
- বিয়াল্লিছৰ বিপ্লৱৰ পটভূমিত 'লভিতা' নাটক ঃ এটি অধ্যয়ন
  *ড° মীনাক্ষী তামুলী* /268
- বিহুগীতত প্ৰাপ্ত স্বাধীনতা সংগ্ৰামৰ সমল
  *ড° পল্লৱিকা শৰ্মা* /282
- লোকগীতত কৃষক বিদ্ৰোহ ঃ প্ৰসংগ পথৰুঘাটৰ ৰণ
  *ড° তৰুলতা ডেকা* /291
- পথৰুঘাটৰ উপেক্ষিত বীৰ শ্বহীদ
  *ড° ৰীতা শৰ্মা* /300
- সাহিত্য আৰু স্বাধীনতা আন্দোলন
  *ড° চেমিমা আহমেদ*/306
- ঐতিহাসিক মালিতা হিচাপে মণিৰাম দেৱানৰ গীত ঃ এক সামগ্ৰিক বিশ্লেষণ
  *গায়ত্ৰী খাৰঘৰীয়া* /316
- বুৰঞ্জীমূলক মালিতা "মণিৰাম দেৱানৰ গীত" ঃ এটি আলোচনা
  *দীপিকা নাথ* /330
- ঐতিহ্যমণ্ডিত ফুলগুৰি ধেৱা ঃ এটি বিশ্লেষণ
  *কৃষ্ণা হাজৰিকা* /342
- স্বাধীনতা সংগ্ৰামী নৰপতি দেৱ বসুমতাৰী
  *ভৈৰৱী বড়ো* /350
- ভাৰতৰ স্বাধীনতা সংগ্ৰামত কামৰূপ জিলাৰ বকো অঞ্চলৰ অজ্ঞাত মুক্তিযোদ্ধা সকলৰ ভূমিকা
  *দীপাঞ্জলি কলিতা*
  *ড° অনামিকা বৈশ্য* /356
- ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমীয়া লোকগীতত মহাত্মা গান্ধী
  *দেৱাশ্ৰী বৰা*
  চিন্তুছিমা বৰুৱা/364

# ভাৰতৰ স্বাধীনতা সংগ্ৰামত কামৰূপ জিলাৰ বকো অঞ্চলৰ অজ্ঞাত মুক্তিযোদ্ধাসকলৰ ভূমিকা

দীপাঞ্জলি কলিতা
ড° অনামিকা বৈশ্য

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে অৰ্থাৎ বিদেশী শাসনৰ পৰা ভাৰতবাসী মুক্ত হয়। ভাৰতবৰ্ষৰ জনসাধাৰণে ১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈ যি সংগ্ৰাম কৰি ব্ৰিটিছ শাসনৰ পৰা মুক্ত হৈ স্বাধীনতা লাভ কৰিলে সেয়া এক অবিস্মৰণীয় কাহিনী। এই স্বাধীনতা সংগ্ৰামত দেশৰ অসংখ্য স্বনামধন্য ব্যক্তিয়ে প্ৰাণাহুতি দিলে।

ভাৰতবৰ্ষৰ এই স্বাধীনতা সংগ্ৰামত উত্তৰ-পূৰ অঞ্চলৰ বিশেষ অৱদান আছে। পৰাধীনতাৰ কালছোৱাত ভাৰতবাসীয়ে বিদেশী শাসকগোষ্ঠীৰ হাতত যি লাঞ্ছনা, উৎপীড়ন ভোগ কৰিলে সেয়া সমগ্ৰ দেশবাসীৰ লগতে উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহতো ক্ষোভৰ দাবানল জ্বলি উঠিছিল। অসংখ্য ব্যক্তিয়ে স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল আৰু বহু



ব্যক্তিয়ে এই আন্দোলনত মৃত্যুবৰণ কৰিছিল বহু ব্যক্তিয়ে আজীৱন কাৰাবন্দী হ'ব লগা হৈছিল। কিন্তু এই যিসকল ব্যক্তিৰ সাহসিকতা আৰু কষ্টৰ ফলত দেশে স্বাধীনতা লাভ কৰিছিল সেইসকল ব্যক্তিৰ অৱদানৰ বিষয়ে জনসাধাৰণ অজ্ঞাত। আমি সাধাৰণতে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি মুখ্য নেতৃত্ববহনকাৰীসকলৰ বিষয়ে জনসাধাৰণ অজ্ঞাত। আমি সাধাৰণতে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি মুখ্য নেতৃত্ববহনকাৰীসকলৰ বিষয়ে জানো কিন্তু দেশৰ প্ৰতি প্ৰান্তৰ এনে অসংখ্য ব্যক্তি আছে যিসকলৰ অৱদানৰ বিষয়ে সৰ্বসাধাৰণ জনসাধাৰণ জ্ঞাত নহয়। অসম তথা উত্তৰ-পূৰ অঞ্চলৰ এনে অসংখ্য অজ্ঞাত স্বাধীনতা সংগ্ৰামী আছে যিসকলৰ ত্যাগৰ বিনিময়ত দেশে স্বাধীনতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। এই পত্ৰখনৰ জৰিয়তে আমি স্বাধীনতা সংগ্ৰামৰ কামৰূপ জিলাৰ বকো অঞ্চলৰ বিষয়ে আলোকপাত কৰিবলৈ ওলাইছোঁ।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসমৰ কামৰূপ জিলাৰ বকো অঞ্চলৰ গুৰুত্ব স্থানীয় আৰু জাতীয় স্তৰত অপৰিসীম। স্বাধীনতা সংগ্ৰামত এই বকো অঞ্চলৰ অখ্যাত মুক্তিযুঁজাৰুসকলৰ ভূমিকাৰ বিষয়ে এতিয়াও বিস্তাৰিতভাৱে তথ্যসহকাৰে অধ্যয়ন কৰা হোৱা নাই। সেয়ে এই বিষয়ে যদি বিতংভাৱে তথ্যসহকাৰে অধ্যয়ন কৰা যায় তেতিয়া হ'লে ই ভৱিষ্যতে সাধাৰণ পাঠক, গৱেষক আৰু ইতিহাসবিদসকলৰ বাবেই ই খুবেই কাৰ্যকৰী হ'ব। বৰ্তমানলৈকে এই বিষয়ৰ ওপৰত বিষয়ভিত্তিক তথা তথ্যভিত্তিক গৱেষণা হোৱা নাই। সেয়ে এই আলোচনা পত্ৰৰ জৰিয়তে আলোচনাৰ বিষয়বস্তুৰ ওপৰত কিছু তথ্য দাঙি ধৰা হৈছে।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন তথা এই আন্দোলনত অসমৰ ভূমিকা সম্পৰ্কে ভালেখিনি আলোচনা, প্ৰবন্ধ পাতি, গ্ৰন্থ আদি প্ৰকাশিত হৈছে।

আদ্যনাথ চক্ৰৱৰ্তী আৰু নৰেন্দ্ৰনাথ শৰ্মাদেৱে তেওঁলোকৰ দ্বাৰা লিখিত "ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু অসম" গ্ৰন্থত ইয়াণ্ডাবু সন্ধিৰ পৰা ভাৰতবৰ্ষ স্বাধীন হোৱালৈকে অসমৰ সকলো ইতিহাস তথ্যসহকাৰে বিতংভাৱে আলোচনা কৰে। কিন্তু ই গ্ৰন্থখনত কামৰূপত জিলাৰ মুক্তিযুঁজাৰুসকলৰ জীৱনীৰ কথা আলোচনা কৰা নাই। ইয়াৰ উপৰিও Landmarks of the Freedom Struggle in Assam নামৰ গ্ৰন্থত লেখক K. N Duttaই স্বাধীনতা আন্দোলনত অসমৰ জনসাধাৰণে কেনেদৰে অংশগ্ৰহণ কৰিছিল সেই বিষয়ে বৰ্ণনা কৰা হৈছে। এই গ্ৰন্থখনতে দক্ষিণ কামৰূপৰ বকো অঞ্চলৰ ৰাইজে কিদৰে অসহযোগ আন্দোলনত যোগদান কৰিছিল সেই বিষয়ে বৰ্ণনা কৰা হৈছে (পৃঃ ৬২)

অজিত চন্দ্ৰ ডেকাই, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "Freedom fighters of the undivided Kamrup District" শীৰ্ষক গৱেষণা সম্পন্ন কৰিছে। এই গৱেষণা কাৰ্যৰ জৰিয়তে তেখেতে ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ কামৰূপ জিলাৰ